# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-03-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

ৰাজ্য চৰকাৰে অহা ১৯ মাৰ্চত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ বাবে প্ৰথমটো কিস্তিৰ ধন বেংকযোগে হস্তান্তৰ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি কয়, যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে তেওঁৰ শেহতীয়া অসম ভ্ৰমণৰ সময়ত চলিত বৰ্ষত ৰাজ্যখনত ৩ লাখ ৬০ হাজাৰ নতুন আৱাসৰ বাবে মঞ্জুৰী দিয়াৰ কথা ঘোষণা কৰিছিল। এই আঁচনিৰ বাবে পূৰ্বে নিৰ্ধাৰিত অপেক্ষাৰত হিতাধিকাৰীৰ তালিকাত ৭ লাখ ৬০ হাজাৰ লোকৰ নাম অন্তৰ্ভুক্ত হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ পৰৱৰ্তী সময়ত অহা এপ্ৰিল- মে’ মাহত আৰু ৩ লাখ ৮০ হাজাৰ হিতাধিকাৰীক এই আঁচনিৰ ধন প্ৰদানৰ ব্যৱস্থা কৰা হ’ব। ইয়াৰ ফলত ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩০ লাখ হিতাধিকাৰীক ঘৰ প্ৰদানৰ লক্ষ্য প্ৰাপ্তি হ’ব। এই আঁচনিৰ অধীনত এতিয়ালৈকে ২২ লাখ হিতাধিকাৰীয়ে ঘৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে এই আঁচনিৰ হিতাধিকাৰী চিনাক্ত কৰিবলৈ ৰাজ্য চৰকাৰে পুনৰবাৰ জিঅ’ টেগিং কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লৈছে। সেই অনুসৰি দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে  জিঅ’ টেগিঙৰ ক্ষেত্ৰত অভিনৱ পন্থা গ্ৰহণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াৰ পৰিৱৰ্তে জীৱিকা সখীসকলে মহিলা আত্মসহায়ক গোটৰ সহযোগত গাঁৱে গাঁৱে গৈ জিঅ’ টেগিং কৰিব। ইয়াৰ পাছতো জিঅ’ টেগিঙৰ পৰা বঞ্চিত হৈ ৰোৱা লোকসকলৰ বাবে স্ব-জিঅ’ টেগিঙৰ ব্যৱস্থা কৰা হ’ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ৰাজ্যিক বাজেট সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। ভাৰতীয় জনতা পাৰ্টীৰ ধেমাজি জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত আয়োজিত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে এইবাৰৰ বাজেটখনক এখন নতুন তথা বিকশিত অসম সৃষ্টি কৰিব পৰা বাজেট বুলি মন্তব্য কৰে। বাজেটখনে ৰাজ্যৰ কৃষি খণ্ড আৰু ঔদ্যোগিক খণ্ডৰ বিকাশৰ লগতে গ্ৰাম্য অৰ্থনীতিৰ বিকাশতো অৰিহণা যোগাব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এক লাখ ৫৫ হাজাৰ ৪২৮ কোটি ৭৫ লাখ টকাৰ এই বাজেটে পৰৱৰ্তী বছৰটোৰ বাবে ৰাজ্যৰ আন্তঃগাঁথনিগত উন্নয়ন আৰু জনকল্যাণমুখী আঁচনিৰ ৰূপৰেখা দাঙি ধৰিছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰী গৰাকীয়ে আজি ধেমাজিৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ সামৰণি কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইয়াৰ আগেয়ে তেওঁ গোগামুখৰ গ্ৰাম্য জীৱিকা সমল কেন্দ্ৰত শিপিনীসকলৰ মাজত সূতা বিতৰণ কৰে।

০০০০০

ধেমাজি জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে আজি ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত এজন লোকক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। ন্যায়াধীশ কৌশিক হাজৰিকাৰ বিচাৰপীঠে আজি ধেমাজি বৰবাম দিহিঙীয়া গাঁৱৰ নিৰেন চুতীয়া নামৰ লোকজনক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা অনাদায়ে তেওঁ অতিৰিক্ত ৩ বছৰ কাৰাবাস খাটিব লাগিব বুলিও ৰায়টোত কোৱা হৈছে। ২০২১ চনত এগৰাকী ১২ বছৰীয়া নাবালিকাক ধৰ্ষণৰ গোচৰত নিৰেন চুতীয়াৰ বিৰুদ্ধে গোগামুখ থানাত গোচৰ ৰুজু কৰা হৈছিল। আদালতে বাদী আৰু বিবাদী পক্ষৰ যুক্তি-তৰ্ক শুনাৰ পাছত অভিযুক্ত চুতীয়াক দোষী সাব্যস্ত কৰে আৰু আজি তেওঁৰ বিৰুদ্ধে শাস্তি ঘোষণা কৰে। আনহাতে ২০২২ চনত একেখন গাঁৱতে সংঘটিত আন এটা ধৰ্ষণৰ গোচৰ সম্পৰ্কত আজি একেখন আদালতেই দিপাংকৰ গোহাঁই নামৰ আন এজন অভিযুক্তক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়দানৰ লগতে ৩০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা আদায় নিদিলে ২ বছৰৰ অতিৰিক্ত কাৰাদণ্ড দিয়া হ'ব। ২০২২ চনত এগৰাকী মহিলাক ধৰ্ষণ কৰাৰ অভিযোগত দিপাংকৰ গোহাঁইৰ বিৰুদ্ধে ধেমাজি আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে আজি ২০২১ চনত জোনাই আৰক্ষী থানাত ৰুজু হোৱা আন এগৰাকী নাবালিকা ধৰ্ষণৰ গোচৰত অভিযুক্ত চিলাপথাৰৰ ১ নম্বৰ দেৱেন্দ্ৰ নগৰৰ আনন্দ দাসক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ উপৰি ২০ হাজাৰ টকাৰ জৰিমনা বিহে। আদালতে এই দুয়োগৰাকী অভিযুক্তক পকছ' আইনৰ অধীনত দোষী সাব্যস্ত কৰি এই গুৰুত্বপূৰ্ণ ৰায়দান কৰে বুলি চৰকাৰী পক্ষৰ অধিবক্তাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

০০০০০

যোৰহাট সদৰথানাৰ উপ-পৰিদৰ্শক ইন্দ্ৰেশ্বৰ সন্দিকৈ আৰু কনিষ্টবল দীনেশ শীলক উৎকোচ লোৱাৰ অভিযোগত চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। উল্লেখযোগ্য যে ৮ জন লোকক থানাৰ পৰা মুকলি কৰিবৰ বাবে এই দুয়োগৰাকী আৰক্ষীৰ লোকে ৮ হাজাৰ টকা উৎকোচ বিচাৰি হাতেলোটে ধৰা পৰা পাছত তেওঁলোকক নিলম্বন কৰা হয়।

০০০০০

গোলাঘাটত হ'বলগীয়া অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিৱেশন উপলক্ষে আজি গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত লাইখুঁটা স্থাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইকে ধৰি বিষয়ববীয়াসকল উপস্থিত থাকে। ইয়াৰ পাছতে অধিৱেশন শীৰ্ষ গীতটো মুকলি কৰা হয়। উল্লেখযোগ্য যে অহা ৪ এপ্ৰিলৰ পৰা তিনি দিনীয়াকৈ এই অধিৱেশন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত